**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 27-04-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ তিনিচুকীয়াৰ বাৰেকুৰি আৰু লাংকাচেত নিৰ্বাচনী প্ৰচাৰ চলায়। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই চৰাইদেউ জিলাৰ মাহমৰা আৰু সোণাৰি বিধানসভাৰ অন্তৰ্গত কেইবাটাও এলেকাত আয়োজিত নিৰ্বাচনী সভাত অংশ লয়। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিদিনে নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাইলৈ বিশ্বনাথত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা।

শিক্ষামন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডা০ ৰণোজ পেগুৱে ধেমাজি জিলাত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে কালি ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিটাকৈ পঞ্চায়তত আয়োজিত কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ জীয়াধল, হাতীগড়, বাটঘৰীয়া আৰু লক্ষীপথাৰ গাঁও পঞ্চায়তত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

মন্ত্ৰী অতুল বৰাই গোলাঘাট জিলাৰ কেইবাটাও প্ৰান্তত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়।

একেদৰে কংগ্ৰেছকে ধৰি অন্যান্য বিৰোধী দলসমূহেও পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কালি **চৰাইদেউ** জিলাৰ মাহমৰা সমষ্টিৰ কচুমাৰীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

বিধায়ক অখিল গগৈয়ে লখিমপুৰ জিলাৰ কেইবাটাও অঞ্চলত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত দুখন উৰণ সেতু মুকলি কৰিব। পুৰণি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে কনভয় ৰোডৰ সংযোগস্থলত নৱনিৰ্মিত ড০ লীলা গগৈ উৰণ সেতু আৰু মানকাটা পথৰ থানা চাৰিআলিত বাগ্মীবৰ নীলমণি ফুকন উৰণ সেতু ৰাইজৰ বাবে মুকলি কৰা হ'ব। ৫৬ কোটিৰো অধিক টকা ব্যয়

সাপেক্ষে নিৰ্মাণ কৰা ড০ লীলা গগৈ উৰণ সেতুৰ মুঠ দৈৰ্ঘ্য প্ৰায় ৬১৫ মিটাৰ। ৬০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বাগ্মীবৰ নীলমণি ফুকন উৰণ সেতুৰ মুঠ দৈৰ্ঘ্য প্ৰায় ৪৫০ মিটাৰ। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকিব।

০০০০০০০

কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক সমৰ্থন কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে বিভিন্ন স্থানত অভিযান অব্যাহত ৰাখিছে। পহলগামৰ নৃশংস ঘটনাৰ সন্দৰ্ভত সামাজিক মাধ্যমত দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত কালি গুৱাহাটীৰ পৰা ডিম্পল বৰুৱা ওৰফে দধীচি ডিম্পলক গোলাঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। একেদৰে শ্ৰীভূমি জিলাৰ কালিগঞ্জৰ পৰা মুস্তাক আহমেদ ওৰফে ছাহিল হক নামৰ যুৱক এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। কামৰূপ জিলাৰ হাজোৰ পৰা আন এজন লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দেশ বিৰোধী মন্তব্য কৰা লোকক গ্ৰেপ্তাৰ কৰা হ'ব। সামাজিক মাধ্যমত আপত্তিজনক পোষ্ট পৰীক্ষা কৰি থকা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

যোৰহাটৰ আৱৰ্ত ভৱনত কালি চলিত বছৰৰ প্ৰথম তিনিমাহৰ বাবে অপৰাধ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত জিলা আয়ুক্ত জয় শিৱানী, জিলা সত্ৰ ন্যায়াধীশ প্ৰাঞ্জল দাস সহ অন্যান্য ন্যায়াধীশ আৰু জিলা ন্যায়িক বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি সন্মিলনখনত স্বাস্থ্য, পৰিবহন, আবকাৰী, জন কল্যাণ, শিক্ষা, আদি বিভাগৰ উপৰি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু বিভিন্ন সংস্থাৰ মুৰববীসকলো উপস্থিত থাকে। এই সন্মিলনত কিদৰে অপৰাধৰ মূল পৰিকল্পনাকাৰীক চিনাক্ত আৰু ধৰা পেলাব পাৰি এই সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফু কেন্দ্ৰীয় বিহু সমিতিৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ঐতিহ্যমণ্ডিত ডিফু ক্লাবৰ প্ৰাঙ্গনত ৰঙালী বিহু উৎসৱৰ সামৰণি অনুষ্ঠান আয়োজিত হৈছে। কালি ডিফু চহৰৰ ৩০টা সামাজিক-সাংস্কৃতিক সংগঠনৰ পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। স্থানীয় বিধায়ক বিদ্যাসিং ইংলেঙে অংশগ্ৰহণ কৰা এই অনুষ্ঠানৰ আৰম্ভণিতে জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ আক্ৰমণত মৃত্যু হোৱা নিৰিহ লোকসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত পাঞ্জাব কিংছ আৰু কলকাতা নাইট ৰাইডাৰ্ছ মাজত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। কলকাতা নাইট ৰাইডাৰ্ছে ২০২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি এক অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৭ ৰান সংগ্ৰ কৰা অৱস্থাত বৰষুণে খেলখনত বিধিপথালি দিয়ে। ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেটৰ বিনিময়ত ২০১ ৰান সংগ্ৰহ কৰে। পাঞ্জাবৰ হৈ প্ৰিয়ান্স আৰ্যই ৬৯ আৰু প্ৰভছিমৰন সিঙে ৮৩ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ বৈভৱ আৰোৰাই দুটা উইকেট দখল

কৰে। পাঞ্জাব কিংছে বৰ্তমানলৈকে ৯ খন খেলৰ পৰা ১১ পইণ্ট লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে। কলকাতা নাইটৰাডাৰ্ছ সমসংখ্যক খেলৰ পৰা ৭ পইণ্ট অৰ্জন কৰি সপ্তাম স্থানত আছে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। মুম্বাইত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে সাত বজাত দিল্লীত হ'বলগীয়া আজিৰ দ্বিতীয়খন খেলত ডেলহী কেপিটেলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব।

ooooooo

**সমাপ্ত**